# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 07-01-2025

**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লা খনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৩০ জনীয়া আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ৮ জনীয়া দলৰ লগতে নৌ সেনাৰ ডুবাৰুসকলে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই আছে। উদ্ধাৰ অভিযানত নিয়োজিত দলে প্ৰকাশ কৰা অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে। ইফালে এই ঘটনাৰ তদন্তৰ বাবে আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত উমৰাংছ’ আৰক্ষী থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে খনি আৰু খনিজ বিভাগৰ মন্ত্ৰী কৌশিক ৰায় ডিমা হাচাওৰ কেইবাগৰাকীও ৰাজনৈতিক নেতাৰ লগতে উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি অন্যান্য অসামৰিক বিষয়াসকলে **তিন কিলো**-ৰ কয়লাখনিত উপস্থিত হৈ পৰিস্থিতিৰ নিৰীক্ষণ কৰে। আবদ্ধ শ্ৰমিকসকলৰ পৰিয়ালৰ সদস্যসকলেও ঘটনাস্থলিত হৈ ভাল খবৰৰ বাবে উদ্বিগ্নতাৰে অপেক্ষা কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই কয়লাখনিত কয়লা আহৰণৰ কামত নিয়োজিত ২৭ জন শ্ৰমিক কালি পুৱা বাহিৰৰ পৰা হঠাৎ সোমাই অহা পানীত আৱদ্ধ হৈ পৰে। ইয়াৰে ১৮ জন শ্ৰমিক কোনোমতে বাহিৰলৈ ওলাই আহি প্ৰাণৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও আন ৯ জন শ্ৰমিক খনিৰ আভ্যন্তৰত আৱদ্ধ হৈ পৰে। ঘটনাৰ বাতৰি পোৱাৰ লগে লগে অগ্নি নিৰ্বাপন বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। অৱশ্যে কেইবামিটাৰ দ পানীত আৱদ্ধ হৈ পৰা শ্ৰমিককেইজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে।

উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত সৰু সৰু এন্দুৰৰ গাঁতসদৃশ গাঁত খান্দি খনিৰ আভ্যন্তৰণলৈ প্ৰৱেশ কৰি কয়লা আহৰণৰ অবৈধ খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ৰাজ্যৰ বিভিন্ন খনিত ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

ooooo

ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰ চৰকাৰী বিদ্যালয়ৰ ১৪ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি কালি আৰম্ভ হোৱা এই বছৰৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি বহিঃমূল্যায়ন কৰা হৈছে। গুণোৎসৱৰ আজি দ্বিতীয় দিনা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ জিলাৰ পদ্মনাথ গোহাঁইবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি কাৰ্যসূচীৰ বুজ লয়। ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত হ’বলগীয়া এই গুণোৎসৱ ৰাজ্যৰ শিক্ষা খণ্ডৰ গুণগত মান নিশ্চিতকৰণৰ নিৰন্তৰ প্ৰয়াস বুলিও শিক্ষা মন্ত্ৰীয়ে মন্তব্য কৰে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি আমিনগাঁও বেংগলী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

শিৰসাগৰ জিলাতো এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। ইয়াৰ বাবে ৪৮২ গৰাকী বহিঃমূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক আৰু এহেজাৰ ২৪১ গৰাকী ন'ডেল শিক্ষক নিয়োগ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা তথা সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন আঁচনি পৰিদৰ্শন কৰাৰ লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে।

০০০০০

যোৱা কিছুদিনত টেলিফোন কৰাৰ সময়ত টেলিকম কোম্পানীসমূহে গ্ৰাহকৰ মোবাইল ফোনলৈ অতি বিকৃত উচ্চাৰণেৰে চাইবাৰ সজাগতা সম্পৰ্কীয় এটা বাৰ্তা প্ৰেৰণ সম্পৰ্কত বিভিন্ন মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সদৌ অসম ছাত্ৰ সন্থাই আজি এই বিজ্ঞাপনটো সন্দৰ্ভত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনত ছাত্ৰ সংগঠনটোৱে এই বিভ্ৰান্তিকৰ বাৰ্তাৰ প্ৰচাৰে ধ্ৰুপদী মৰ্যাদা লাভ কৰা অসমীয়া ভাষাৰ অৱমাননা কৰা বুলি অভিযোগ কৰিছে আৰু অবিলম্বে এই বাৰ্তাৰ প্ৰচাৰ বন্ধ কৰিবলৈ পত্ৰযোগে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঙ্গেই আজি গুৱাহাটীত প্ৰকাশ কৰা অনুসৰি অসমীয়া ভাষাৰ উচ্চাৰণ আৰু ব্যাকৰণৰ সামান্যতমো ধাৰণা নথকা বহিঃৰাজ্যৰ বণিকগোষ্ঠীয়ে দিয়া এনে বাৰ্তা আৰু বিজ্ঞাপন অসমৰ বিভিন্ন টেলিভিছন আৰু বাতৰিকাকতত প্ৰচাৰিত হৈছে। ই অসমবাসীৰ প্ৰতি অপমানজনক বুলি শ্ৰীশৰ্মাই আৰু হাঙ্গেই মন্তব্য কৰে আৰু এনে বাৰ্তা আৰু বিজ্ঞাপন অসমীয়া ভাষাৰ সম্যক জ্ঞান থকা স্থানীয় বৃত্তিজীৱিৰ দ্বাৰাহে প্ৰস্তুত কৰা উচিত বুলি পত্ৰখনত মত প্ৰকাশ কৰে।

০০০০০

ভোগালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষ প্ৰস্তুতি আৰম্ভ হৈছে। সৰুপথাৰ সমজিলাত অসম ৰাজ্যিক জীৱিকা অভিযানৰ উদ্যোগত চেৰাগুৰি সাধনী উদ্যানত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলাৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালাই উদ্বোধন কৰা এই ভোগালী মেলাত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে। এই মেলাত সমষ্টিটোৰ অন্তৰ্গত ২০ টাতকৈও অধিক আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। প্ৰতিবছৰে আত্মসহায়ক গোটৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে অসম মহিলা গ্ৰামীণ জীৱিকা অভিযানে ৰাজ্যৰ বিভিন্ন স্থানত ভোগালী মেলাৰ আয়োজন কৰি আহিছে। গুৱাহাটী মহানগৰীতো ভোগালী বিহুক আদৰাৰ বাবে প্ৰস্তুতি তুংগত উঠিছে। পাথৰকোৱাৰী ভোগালী বিহু উদযাপন সমিতিয়ে আজিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নাৰেংগী ক্ৰীড়া খেলপথাৰত বিশেষ আয়োজন কৰিছে। সেই অনুসৰি মেজি, আকৰ্ষণীয় ভেলাঘৰ, ঢেকীশাল, গোহালিঘৰ, ভঁৰালঘৰ, নামঘৰ আদি নিৰ্মাণ কৰিছে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ কৰ্মী বিতোপন ৰায়দঙীয়াই আজি শিৱসাগৰ জিলা সমিতিৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰে। এই উপলক্ষে শিৱসাগৰ যুৱ দল প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, দলৰ জ্যেষ্ঠ নেতা কুশল দেউৰীকে ধৰি ভালেমান নেতা-কৰ্মী উপস্থিত থাকে। সভাপতিৰ দায়িত্ব

গ্ৰহণ কৰি ৰায়দঙীয়াই ন-পুৰণি কাৰ্যকৰ্তাসকলক লৈ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে কাম কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

ooooo

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ দিব পাৰে। শ্ৰোতাসকলৰ পৰা লাভ কৰা বাৰ্তাৰ ভিত্তিত, অহা ১১ জানুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰা হ'ব। ইয়াত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব। শ্ৰোতাসকলৰ সৈতে বাতৰি বিভাগৰ সম্পৰ্ক অধিক নিবিড় কৰাৰ প্ৰয়াস হিচাপে প্ৰচাৰ কৰা এইটো হ'ব এই সম্পৰ্কীয় দ্বিতীয়টো অনুষ্ঠান।

ooooo

সমাপ্ত